জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮১/২০২২

**কাৰ্বি আংলঙৰ তাৰালাংছ'ত অনুষ্ঠিত ৪৮ সংখ্যক কাৰ্বি যুৱ মহোৎসৱত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ**

# সাংস্কৃতিক মিলনেৰেহে মনৰ দুৱাৰ খোল খোৱাব পাৰি ঃ মুখ্যমন্ত্ৰী

## কাৰ্বি আংলঙত এখন বিশ্ববিদ্যালয় স্থাপন আৰু এটা বিমান বন্দৰ স্থাপনৰ পদক্ষেপ হোৱা হ'ব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা

**দিছপুৰ, ০৫ মাৰ্চ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কাৰ্বি আংলং জিলাৰ তাৰালাংছ'ত অনুষ্ঠিত ৪৮ সংখ্যক কাৰ্বি যুৱ মহোৎসৱত অংশগ্ৰহণ কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি তেওঁ কয় যে সাংস্কৃতিক মিলনেৰেহে মনৰ দুৱাৰ খোল খোৱাব পাৰি। এই দিশত কাৰ্বি জনগোষ্ঠীৰ যুৱ সমাজে লৈ অহা উদ্যোগ নিঃসন্দেহে আশাপ্ৰদ। মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে কাৰ্বি যুৱ মহোৎসৱে ৪৮ টা বছৰত ভৰি দিয়াটো এটা অতিকে তাৎপৰ্যপূৰ্ণ ঘটনা। কাৰ্বি যুৱ মহোৎসৱ কাৰ্বিসকলৰ জাতীয় অনুষ্ঠানত পৰিণত হৈছে। তেওঁ কয় যে ৰাজ্যখনৰ পৰ্যটনৰ কেলেণ্ডাৰত এই যুৱ মহোৎসৱক চৰকাৰে এক বিশেষ স্থান প্ৰদান কৰিব। জনগোষ্ঠীটোৰ পৰম্পৰাগত গীত-মাত, আখ্যান, কিংবদন্তিসমূহ নিভাঁজ ৰূপত ধৰি ৰখাৰ বাবে তাৰালাংছ' সাংস্কৃতিক কেন্দ্ৰই লোৱা পৰিকল্পনা আৰু ৰূপৰেখা নিঃসন্দেহে প্ৰশংসনীয় আৰু আনৰ বাবে অনুকৰণীয়। কাৰ্বি জাতীয় জীৱনৰ পুৰোধাসকলৰ উদ্যোগত ৰূপান্তৰ আনিবলৈ সক্ষম হোৱা কাৰ্বি যুৱ মহোৎসৱে জিলাখনৰ ডিমাছা, বড়ো, ৰেংমা, কুকি, তিৱা, শ্যাম, অসমীয়া ভাষী আদিৰ সাংস্কৃতিক মিলন ঘটাবলৈ সক্ষম হৈছে। তেওঁ মন্তব্য কৰে যে কাৰ্বিসকলে অসমৰ জাতীয় জীৱন উৰ্বৰ কৰিছে। অসমৰ ভাষা, সাহিত্য, সংস্কৃতিৰ উত্তৰণৰ খোজত কাৰ্বি জনগোষ্ঠীৰ লোকসকলে আগবঢ়োৱা অৱদান উল্লেখনীয়। বৃহত্তৰ অসমীয়া সমাজলৈ কাৰ্বি জাতিৰ যেনেকৈ অৱদান আছে তেনেকৈ ভাৰতীয় সংস্কৃতিৰ বৃহত্তৰ পৰিমণ্ডলত কাৰ্বিসকলৰ এক সুকীয়া স্থান আছে। কাৰ্বি সকলৰ ভাষা, সাহিত্য, সংস্কৃতি ভাৰতৰ পাঁচ হাজাৰ বছৰীয়া পুৰণি সভ্যতা-সংস্কৃতিৰ অভিন্ন অঙ্গ। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কাৰ্বি ৰামায়ণ 'ছাবিন আলুন'ৰ কথাও উল্লেখ কৰে। তেওঁ মন্তব্য কৰে যে কাৰ্বি ভাষা-সাহিত্যৰ এই অমূল্য সম্পদ ছাবিন আলুনক লৈ অধিক গৱেষণা হ'লে কাব্যখনি সন্দৰ্ভত নতুন তথ্য উন্মোচিত হোৱাৰ থল আছে।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কাৰ্বি আংলঙত এখন বিশ্ববিদ্যালয় স্থাপন আৰু এটা বিমান বন্দৰ নিৰ্মাণৰ পদক্ষেপ লোৱা হ'ব বুলি ঘোষণা কৰে। তেওঁ লগতে কয় যে জিলাখনত ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ আৰ্হিত এটি অনুষ্ঠান আৰু কাৰ্বি আংলং সাংস্কৃতিক কেন্দ্ৰ স্থাপন কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে সমগ্ৰ কাৰ্বি আংলং প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যৰে ভৰপূৰ। এই বিনন্দীয়া ৰূপক তুলি ধৰি এই অঞ্চলটোক পৰ্যটনৰ এক

আকৰ্ষণীয় স্থলী ৰূপে গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে প্ৰচেষ্টা লৈছে। তেনেদৰে জৈৱিক কৃষিজাত সামগ্ৰী উৎপাদনেৰে কাৰ্বি আংলঙে অকল অসমৰে নহয়, দেশ-বিদেশৰ বজাৰত সমাদৰ লাভ কৰাৰ পূৰ্ণ সম্ভাৱনা আছে বুলি মন্তব্য কৰি তেওঁ কয় যে সম্প্ৰতি বিশ্বজুৰি জৈৱিক কৃষিজাত সামগ্ৰীৰ চাহিদা বৃদ্ধি পাইছে। কাৰ্বি আংলঙৰ জৈৱিক কৃষি কৰ্মৰে উৎপাদিত আদা আৰু মছলাই সমগ্ৰ বিশ্বৰ বজাৰ দখল কৰিব পাৰে। অঞ্চলটোৰ যুৱ সমাজে এই কৃষি কৰ্মৰ বাবে আগবাঢ়ি আহি স্বাৱলম্বিতাৰ নতুন নিদৰ্শন দাঙি ধৰাৰ লগতে সামগ্ৰিকভাৱে ৰাজ্যৰ অৰ্থনীতিলৈও বৰঙণি আগবঢ়াই এখন আত্মনিৰ্ভৰশীল অসম গঢ়াত অৱদান আগবঢ়াবলৈ তেওঁ আহ্বান জনাই কয় যে অসমক জৈৱিক হাব হিচাপে গঢ়ি তোলাৰ দিশত ৰাজ্য চৰকাৰে কাৰ্বি আংলঙত জৈৱিক কৃষি কৰ্ম প্ৰসাৰৰ ব্যৱস্থা গ্ৰহণ কৰিব।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসম হৈছে খিলঞ্জীয়া বিশ্বাস আৰু জনজাতীয় সংস্কৃতিৰ এখন বাৰেৰহণীয়া ফুলনি। এই দৰ্শনৰ আধাৰতে বৰ্তমানৰ ৰাজ্য চৰকাৰে খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগ গঠন কৰিছে। নৃতাত্ত্বিকভাৱে খিলঞ্জীয়া আৰু জনজাতীয় লোকবিশ্বাস আৰু সংস্কৃতি বিষয়ক পুংখানুপুংখ গৱেষণা, শক্তিশালী কাঠামো নিৰ্মাণ আৰু ৰাজ্য চৰকাৰৰ কৰ্মপন্থাৰ ৰূপৰেখা প্ৰস্তুতিয়ে এই বিভাগটোৰ লক্ষ্য আৰু উদ্দেশ্য। ২০২১-২২ বৰ্ষৰ বাজেটত এই বিভাগটোৰ বাবে ১০০ কোটি টকা ধাৰ্য কৰা কাৰ্যই এই দিশত বৰ্তমানৰ চৰকাৰখনৰ থকা সদিচ্ছাকে দাঙি ধৰিছে।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° শৰ্মাই তাৰালাংছ'ত এটি স্থায়ী হেলিপেড উদ্বোধন কৰে। এই উপলক্ষে তেওঁ কয় যে এই হেলিপেডটোৱে কাৰ্বি আংলঙৰ সৈতে আন জিলাসমূহৰ মাজৰ যোগাযোগ ব্যৱস্থা উন্নীত কৰা প্ৰভূত সহায় কৰিব। মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি তাৰালাংছ'ত ডিজিটেল কাৰ্বি হেৰিটেজ মিউজিয়াম, অতিথিশালা আৰু ইক'পাৰ্ক তথা মাটিয়ুঙত ছাৰসিং টেৰন মেম'ৰিয়েল টাউন হল উদ্বোধন কৰে। তদুপৰি তেওঁ ডিফুত ভাৰতীয় জনতা পাৰ্টিৰ কাৰ্বি জিলা সমিতিৰ কাৰ্যালয় এটিও উদ্বোধন কৰে।

আজিৰ এই অনুষ্ঠানসমূহত অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিন, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন, সাংসদ হৰেন সিং বে', কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, বিটিআৰ প্ৰধান প্ৰমোদ বড়ো প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / নিঃকুঃদাঃ**
**০৫-০৩-২০২২**